# 2012

## ASSAMESE

( Major )

Paper : 2.2

**( Adhunik Asamiya Kabita )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) কোন চনত 'জোনাকী' নামৰ মাহেকীয়া কাকতখনৰ প্ৰথম সংখ্যাটো প্ৰকাশ পাইছিল?

(খ) অসমীয়া সাহিত্যত 'শেৱালী কবি' বুলিলে কাক বুজা যায়?

(গ) যতীন্দ্ৰনাথ দুৱৰাই কোনখন কবিতা-পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ঘ) ৰঘুনাথ চৌধাৰীয়ে সম্পাদনা কৰা আলোচনীখনৰ নাম কি?

(ঙ) নৰকান্ত বৰুৱাই 'পলস' নামৰ কবিতাটি ৰচনা কৰিছে। এই 'পলস' শব্দটোৰ অৰ্থ কি?

(চ) 'মমতাৰ চিঠি' কবিতাটি ইংৰাজী কবিতা এটিৰ উদ্ধৃতিৰে আৰম্ভ হৈছে। এই উদ্ধৃতিটি কোন কবিৰ?

(ছ) 'পথাৰৰ কবি' বুলি কোনগৰাকী কবিক অভিহিত কৰা হয়?

(জ) 'হে অৰণ্য হে মহানগৰ' কবিতা-পুথিখনিৰ ৰচক কোন?

(ঝ) কোনগৰাকী অসমীয়া কবিৰ কবিতাত জাপানী 'হাইকু আৰু টংক'ৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়?

(ঞ) নিৰ্মলপ্ৰভা বৰদলৈয়ে অসম সাহিত্যসভাৰ কোনখন অধিৱেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) প্ৰাক্-জোনাকী যুগৰ দুগৰাকী কবিৰ নাম উল্লেখ কৰা।

(খ) "অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দুটা ধাৰা লক্ষ্য কৰা যায়।" এই ধাৰা দুটা কি কি?

(গ) ৰোমাণ্টিক যুগৰ দুগৰাকী অতীন্দ্ৰিয়বাদী কবিৰ নাম লিখা।

(ঘ) 'দ্ৰৌপদী'ৰ দৰে 'মহাভাৰত'ৰ চৰিত্ৰৰ আধাৰত ৰচিত আন দুটা কবিতা (কবিৰ নামসহ) উল্লেখ কৰা।

(ঙ) মাৰ্ক্সবাদী আদৰ্শত বিশ্বাসী দুগৰাকী অসমীয়া কবিৰ নাম উল্লেখ কৰা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ''পুনঃ এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ জুইকুৰা বৰ ৰঙাকৈ জ্বলিছিল। আমাৰ আইতাৰ ক'লী ছাগলীজনীৰ দুটা পোৱালি জগিছে। এটা শুধ বগা আৰু আনটো পখৰা।'' 'মমতাৰ চিঠি' কবিতাটিৰ এই কথাখিনিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটিৰ যোগেৰে কবিয়ে কিহৰ দুৱাৰ মুকলি কৰিব খুজিছে, বুজাই লিখা।

(গ) 'বিশ্বদোলন' কবিতাটিত কবিয়ে দোলনাখন কেনেদৰে সজাই তুলিব খুজিছে, বৰ্ণনা কৰা।

(ঘ) হিতেশ্বৰ বৰবৰুৱাই কবিক কিয় জগতৰ দেৱতা বুলি অভিহিত কৰিছে, ব্যাখ্যা কৰা।

(ঙ) কি কাৰণে ৰঘুনাথ চৌধাৰীয়ে তেওঁৰ 'কেতেকী' কবিতাটিত মানুহৰ জগতখন নন্দনকানন অথবা অমৰাৱতী নহয় বুলি কৈছে, বিচাৰ কৰা।

(চ) কবি ৰাম গগৈৰ কবিতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ৰোমাণ্টিক যুগৰ কবিতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা। এই বৈশিষ্ট্যসমূহ কোন কোন কবিতাত পৰিলক্ষিত হয়, বিশ্লেষণ কৰা। ৫+৫=১০

(খ) নৱকান্ত বৰুৱাৰ 'পলস' নামৰ কবিতাটিত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ কেনেদৰে ঘটিছে, বিচাৰ কৰা। ৫+৫=১০

(গ) যতীন্দ্রনাথ দুৱৰাৰ 'সোণোৱালী দেশ' কবিতাটিত আশাবাদ কেনেদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা। ১০

(ঘ) অতীন্দ্ৰিয়বাদী কবিতাৰ লক্ষণসমূহ কি কি? নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা' কবিতাটিত অতীন্দ্ৰিয়বাদৰ কি কি লক্ষণ প্ৰতিফলিত হৈছে, বিচাৰ কৰা। ৫+৫=১০

(ঙ) সাম্প্ৰতিক কালৰ কবিতাৰ বিশেষত্বসমূহ কি কি? অসমীয়া কবিতাত এই বিশেষত্বসমূহৰ কিমানদূৰ প্ৰতিফলন ঘটিছে, বিচাৰ কৰা। ৫+৫=১০

(চ) 'বিশ্বহৰণ' কবিতাটিত কবিয়ে প্ৰেয়সীৰ প্ৰেমত পৰাৰ আগৰ অৱস্থা আৰু প্ৰেমত পৰাৰ পিছৰ অৱস্থা দুটি কেনেদৰে ব্যক্ত কৰিছে, বৰ্ণনা কৰা। ১০

(ছ) নীলমণি ফুকনৰ 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' শীৰ্ষক কবিতাটিৰ বিষয়বস্তুৰ আভাস দি কবিতাটিৰ কাব্য-কুশলতা বিচাৰ কৰা। ৫+৫=১০

(জ) সাম্প্ৰতিক কালৰ কবিতাৰ দুৰ্বোধ্যতা বা জটিলতাৰ বিষয়ে আলোচনা কৰি তোমাৰ মতামত ব্যক্ত কৰা। ১০

★ ★ ★